১৯৫০, ২১ডিচেম্বৰ

ভি.ভি.আৰ.এন.এম. সুব্বয়া চেট্টিয়াৰ

বনাম

আয়কৰ আয়ুক্ত, মাদ্ৰাজ।

[ন্যায়াধীশ ছায়িদ ফজল আলি, ন্যায়াধীশ মুখাৰ্জী আৰু ন্যায়াধীশ চন্দ্ৰশেখৰ আইয়াৰ]

*ভাৰতীয় আয়কৰ আইন (দ্বাদশ অধ্যায়,১৯৯২), ধাৰা. ৪ক (খ)-হিন্দু অবিভক্ত পৰিয়াল- বাসস্থান- চৰ্তসমূহ- -মাজে সময়ে ভাৰত ভ্ৰমণ আৰু পৰিয়ালৰ ঘটনা সমূহত উপস্থিত থকা -প্ৰমাণৰ ভাৰ(burden of proof)- "নিয়ন্ত্ৰণ আৰু পৰিচালনা" , "ব্যৱস্থাপনা", "অৱস্থিত", "সম্পূৰ্ণৰূপে" আৰু "ঘটনা",ৰ অৰ্থসমূহ।*

ধাৰা ৪ ক (খ)ত ব্যৱহাৰ হোৱা শব্দবোৰে দেখুৱাইছে: (১) যে, সাধাৰণতে এটা হিন্দু অবিভক্ত পৰিয়ালক কৰযোগ্য ভূখণ্ডৰ বাসিন্দা বুলি ধৰা হ'ব , কিন্তু এনে অনুমান প্ৰযোজ্য নহ'ব যদি গোচৰটো বিধানৰ দ্বিতীয় অংশৰ অধীনত অনা হয়, (২)"ঘটনা" শব্দৰ অৰ্থ হ'ল যিবোৰ ঘটনা আয়কৰ আইনৰ উদ্দেশ্যৰ প্ৰাসংগিক আৰু যিবোৰৰ আয়ৰ সৈতে কিছু সম্পৰ্ক আছে, (৩)গোচৰটো ব্যতিক্ৰমৰ ভিতৰত পৰে নেকি বুলি প্ৰশ্ন কৰাটো নিৰ্ভৰ কৰে পৰিয়ালটো নিয়ন্ত্ৰণৰ স্হান আৰু কাম-কাজৰ নিয়ন্ত্ৰণৰ ব্ৰিটিছ ভাৰতৰ ভিতৰত নে বাহিৰত, আৰু (৪)তথ্য প্ৰমাণ কৰাৰ দায়িত্ব

যিয়ে তেওঁৰ গোচৰটোক ব্যতিক্ৰমৰ ভিতৰত আনিব যিটো পিছৰ অংশৰ দ্বাৰা কৰ প্ৰদান কৰিবলগীয়া ব্যক্তিজনৰ ওপৰত প্ৰদান কৰা হয় ।

আয়কৰ আইনখনৰ ধাৰা ৪ক(খ)ৰ"নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা"অভিব্যক্তিয়ে নিয়ন্ত্ৰণ আৰু নিৰ্দেশনামূলক ক্ষমতাক বুজায়,কেতিয়াবা "মূৰ আৰু মগজু" বুলি কোৱা হয় "অৱস্থিত" এই অভিব্যক্তিৰ অৰ্থ হ'ল কোনো বিশেষ ঠাইত এনে ক্ষমতাৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কিছু স্থায়িত্বৰ মাত্ৰা; আৰু "সম্পূৰ্ণৰূপে" অভিব্যক্তিটোৱে এনে ক্ষমতা দুটা পৃথক পৃথক স্হানৰ মাজত বিভক্ত হোৱাৰ সম্ভাৱনাক চিনাক্ত কৰা যেন লাগে আৰু এটা হিন্দু অবিভক্ত পৰিয়ালৰ নিগমৰ দৰেই এটাতকৈ অধিক বাসগৃহ থাকিব পাৰে।

হিন্দু অবিভক্ত পৰিয়ালৰ মুৰব্বী এজন তেওঁৰ পত্নী আৰু সন্তানৰ সৈতে বাস কৰিছিল আৰু চিল'নত তেওঁৰ ব্যৱসায় চলাইছিল,যি ঠাই পাছলৈ তেওঁলোকৰ বসবাসস্হলী হৈ পৰে। ব্ৰিটিছ ভাৰতত তেওঁৰ কিছুমান স্থাৱৰ সম্পত্তি আৰু এটা ঘৰ আৰু বিনিয়োগ আছিল। উল্লেখিত বছৰত তেওঁ ব্ৰিটিছ ভাৰত ভ্ৰমণ কৰিছিল আৰু তাত কিছু সময় থাকিছিল, মুঠতে ১০১ দিন থাকিছিল আৰু তেওঁ থকাৰ সময়ছোৱাত দুখন ফাৰ্ম ব্ৰিটিছ ভাৰতত আৰম্ভ কৰিছিল,ব্যক্তিগতভাৱে পৰিয়ালৰ মাটি সম্পৰ্কীয় মোকৰ্দমাত অংশগ্ৰহণ কৰিছিল,আৰু পৰিয়ালৰ আয়ৰ মূল্যায়ন সম্পৰ্কীয় প্ৰক্ৰিয়াত আয়কৰ কৰ্তৃপক্ষৰ আগত হাজিৰ হৈছিল :

মত পোষণ কৰা হৈছিল যে ব্ৰিটিছ ভাৰতত পৰিয়ালৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ বাবে এটা কেন্দ্ৰৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ এই তথ্যসমূহ নিৰ্ণায়ক নহয় বুলি ধৰি লৈছিল,কিন্তু সেইবোৰ কোনো কাৰণতে বিতৰ্কিত বিষয়টোৰ লগত অপ্ৰাসংগিক নাছিল, আৰু যিহেতু কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনে আইন অনুসৰি তেওঁৰ ওপৰত থকা দায়িত্ব পালন কৰা নাছিল, সকলো প্ৰমাণ এইটো দেখুৱাবৰ বাবে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছিল, যাতে স্বাভাৱিকতে, ভাৰতৰ কাম-কাজসমূহো

কলম্বোৰ পৰাই নিয়ন্ত্ৰিত হৈ আছে ,ধাৰা ৪ ক (খ)ৰ প্ৰথম অংশৰ অধীনত স্বাভাৱিক অনুমানটো কাৰ্যকৰী কৰিব লাগিব আৰু তেওঁক উল্লেখিত বছৰটোৰ ভিতৰত ব্ৰিটিছ ভাৰতৰ বাসিন্দা হিচাপে গণ্য কৰিব লাগিব। কিন্তু অনাগত সময়ত কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনে সঠিক তথ্যৰ দ্বাৰা প্ৰমাণ কৰাটো দৰকাৰ আছিল যে পৰিয়ালটোৰ কাম-কাজৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা সম্পূৰ্ণৰূপে ব্ৰিটিছ ভাৰতৰ বাহিৰত আছিল।

দি বিয়েৰে বনাম হাউ (৫ টেক্স কেচ ১৯৮),চুইদিছ চেন্ট্ৰেল ৰে'লৱে কোম্পানী লিমিটেড বনাম থম্পচন (৯ টেক্স কেচ ৩৭৩)গোচৰটো উল্লেখ কৰা হৈছে ।

আপীল অধিকাৰ: দেৱানী আপীল নং.১৯৪৯ চনৰ XXXVIII ।

১৯৪৭ চনৰ ২২ আগষ্ট তাৰিখে মাদ্ৰাজৰ উচ্চ ন্যায়ালয়ৰ ৰায়ৰ (জেন্টল চি. জে. আৰু ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী)ৰ পৰা উদ্ভৱ হোৱা আপীল,যিটো ৰায় ভাৰতীয় আয়কৰ আইনৰ ধাৰা ৬৬ (১)ৰ অধীনত আয়কৰ আপীল ন্যায়াধিকৰণৰ (১৯৪৬ চনৰ ২৫ নং প্ৰসংগ)ত প্ৰদান কৰা হৈছিল।

কে . ৰাজহ আয়াৰ (লগত কে. শ্ৰীনিবাসন)আপীলকাৰীৰ হৈ।

এম চি চেটালভাড (লগতে জি এন জোছি) প্ৰতিবাদকাৰীৰ বাবে।

১৯৫০ চন ২১ ডিচেম্বৰ । আদালতৰ ৰায়দানৰ প্ৰদান কৰিছিল-

ফজল আলি, ন্যায়াধীশ. -এইটো মাদ্ৰাজৰ উচ্চ ন্যায়ালয়ে ভাৰতীয় আয়কৰ আইনৰ ধাৰা ৬৬ (১) ৰ অধীনত আপীলকাৰীৰ ১৯৪২-৪৩ চনৰ আয় কৰৰ প্ৰসংগত আয়কৰ আপীল ন্যায়াধিকৰণে উত্থাপন কৰা প্ৰসংগত দিয়া ৰায়দানৰ পৰা উদ্ভৱ হোৱা এটা আপীল। উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা আইনৰ প্ৰশ্ন আছিল তলত দিয়া ধৰণৰ:-

"গোচৰৰ পৰিস্থিতিতেই হওক, আয়কৰ আইনৰ ধাৰা ৪এ (খ) ৰ অধীনত কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজন (হিন্দু অবিভক্ত পৰিয়াল) ব্ৰিটিছ ভাৰতৰ 'বাসিন্দা'।"

গোচৰৰ পৰিস্থিতি তলত দিয়া ধৰণে চমুকৈ উল্লেখ কৰিব পাৰি। আপীলকাৰীজন যৌথ হিন্দু পৰিয়ালৰ মুৰব্বী আৰু তেওঁ পত্নী, পুত্ৰ আৰু তিনিগৰাকী কন্যাৰ সৈতে চিলনত বাস কৰি আহিছে আৰু তেওঁলোকে সেই দেশতে বসবাস কৰে বুলি কোৱা হৈছে। তেওঁ কলম্বোত জেনেৰেল ট্ৰেডিং কৰ্পৰেশ্যন নামেৰে ব্যৱসায় কৰি তেওঁৰ ব্ৰিটিছ শাসিত ভাৰতত এটা ঘৰ, কিছুমান স্থাৱৰ সম্পত্তি আৰু বিনিয়োগ আছে।
ব্ৰিটিছ ভাৰতৰ বিজয়া-পুৰম আৰু নাগাপট্টনমত অৱস্থিত দুখন ফাৰ্মতো তেওঁৰ অংশ আছে। বৰ্তমানৰ মূল্যায়নৰ ভিত্তি ১৯৪১-৪২ চনত আপীলকাৰীয়ে সাতবাৰ ব্ৰিটিছ ভাৰত ভ্ৰমণ কৰা বুলি কোৱা হয় আৰু মুঠ সময়ছোৱাত ব্ৰিটিছ ভাৰতত তেওঁৰ থকাৰ সময়সীমা আছিল ১০১ দিন। এই সময়ছোৱাত তেওঁ কি কৰিছিল সেইয়া উচ্চ ন্যায়ালয়ৰ এজন মাননীয় ন্যায়াধীশৰ ৰায়দানত সংক্ষিপ্তভাৱে উল্লেখ কৰা হৈছে : -

"এই সময়খিনিত, তেওঁ ব্যক্তিগতভাৱে বিচাৰ আদালত আৰু আপীল আদালত দুয়োখনতে পৰিয়ালৰ মাটিৰ সৈতে জড়িত মোকৰ্দমাত ভাগ লৈছিল। তেওঁ কাৰাইকুডি আৰু মাদ্ৰাজৰ আয়কৰ কৰ্তৃপক্ষৰ সন্মুখত পৰিয়ালৰ আয়ৰ মূল্যায়নৰ সৈতে জড়িত আয়কৰ প্ৰক্ৰিয়াতো অংশ লৈছিল।ইয়াৰে এটা সময়ত, তেওঁ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে মিলিত হোৱাৰ পিছত কৰ পৰিশোধৰ বাবে অতিৰিক্ত সময় লাভ কৰিছিল.... "
আয়কৰ কৰ্তৃপক্ষই নিৰ্ভৰ কৰা আন তথ্যসমূহ আছিল যে তেওঁ কলম্বোৰ ব্যৱসায়টোৰ নথিপত্ৰৰ ফাইলটো দাখিল কৰা নাছিল যিটোৱে তেওঁলোকক ব্যৱসায়টোৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ কলম্বোত হয় নে নহয় সেইটো নিৰ্ণয় কৰাত সহায় কৰিব পাৰে আৰু

তেওঁ ১৯৪২ চনৰ ২৫ ফেব্ৰুৱাৰীত ভাৰতত দুটা অংশীদাৰিত্ব ব্যৱসায় আৰম্ভ কৰিছিল। সেই ব্যৱসায় আৰম্ভ কৰাৰ পিছত কিছুদিন ভাৰতত থাকে।

এইদৰে উল্লেখ কৰা তথ্যসমূহৰ ওপৰত, আয়কৰ বিষয়া আৰু আয়কৰ বিভাগৰ সহকাৰী আয়ুক্তই মত পোষণ কৰিছিল যে আপীলকাৰীজন আয়কৰ আইনৰ ধাৰা ৪ক(খ) অনুসৰি বাসিন্দা হয়, আৰু সেয়েহে তেওঁৰ বিদেশী আয়ৰ ক্ষেত্ৰত মূল্যায়ন কৰিবলগীয়াটো প্ৰয়োজনীয় আছিল। আয়কৰ আপীল ন্যায়াধিকৰণে অৱশ্যে বেলেগ সিদ্ধান্তত উপনীত হয় আৰু মত পোষণ কৰে যে গোচৰৰ পৰিস্থিতিত, আপীলকাৰীয়ে ব্ৰিটিছ ভাৰতত থকাৰ সময়ত কোনো ধৰণৰ পৰিচালনা বা নিয়ন্ত্ৰণ কাৰ্য চলোৱা বুলি ধৰিব নোৱাৰি আৰু সেয়েহে তেওঁ ব্ৰিটিছ ভাৰতৰ বাহিৰত তেওঁৰ আয়ৰ ক্ষেত্ৰত মূল্যায়ন কৰিবলৈ দায়বদ্ধ নহয় । মহামান্য মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰীৰে গঠিত বিচাৰপীঠে এই মতামত মানি লোৱা নাছিল। তেওঁলোকে মত দিছিল যে ন্যায়াধিকৰণে আপীলকাৰীৰ পৰিয়ালৰ " বাসস্থান"ৰ প্ৰশ্নটো নিৰ্ণয় কৰাত নিজকে ভুল দিশত পৰিচালিত কৰিছে আৰু প্ৰমাণিত তথ্যৰ ওপৰত ভিত্তি কৰি পৰিয়ালটোৰ কাম-কাজৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা সম্পূৰ্ণৰূপে ব্ৰিটিছ ভাৰতৰ বাহিৰত আছিল বুলি ধৰিব নোৱাৰি, যাৰ ফলত আয়কৰ আইনৰ ধাৰা ৪ক (খ)ৰ ভিতৰত পৰিয়ালটোক ব্ৰিটিছ ভাৰতৰ বাসিন্দা বুলি ধৰিব লাগিব। এই আবেদনত, আপীলকাৰীয়ে উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তৰ শুদ্ধতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে :-

ধাৰা ৪ক (খ) টো এইধৰণৰ:-

“এই আইনৰ উদ্দেশ্যে -

হিন্দু অবিভক্ত পৰিয়াল, প্ৰতিষ্ঠান বা অন্যান্য ব্যক্তিৰ সংগঠন ব্ৰিটিছ ভাৰতৰ বাসিন্দা বুলি ধৰা হয়, যদিহে ইয়াৰ কাম-কাজৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা সম্পূৰ্ণৰূপে ব্ৰিটিছ ভাৰতৰ বাহিৰত অৱস্থিত নহয় ।''

মন কৰিবলগীয়া যে ধাৰা ৪ ক ই কৰযোগ্য ভূখণ্ডত (ক) ব্যক্তি, (খ) হিন্দু অবিভক্ত পৰিয়াল, প্ৰতিষ্ঠান বা অন্য ব্যক্তিৰ সংস্হা আৰু (গ) কোম্পানীৰ “বাসস্হান”ৰ লগত জড়িত । এই প্ৰতিটো ক্ষেত্ৰতে কিছুমান বিশেষ চৰ্ত নিৰ্ধাৰণ কৰা হৈছে, আৰু আমি যিটো চৰ্তৰ লগত জড়িত, সেইটো ধাৰা ৪ক (খ)ত নিৰ্ধাৰণ কৰা হৈছে । এই বিধানটো ইংলেণ্ডত নিগমৰ গোচৰত প্ৰয়োগ কৰা নিয়মৰ ওপৰত ভিত্তি কৰি কৰা যেন লাগে, যাৰ সন্দৰ্ভত লৰ্ড ল'ৰবাৰ্নে ডি বিয়াৰ্ছ বনাম হাউ(১) গোচৰত এই আইনখন এনেদৰে উল্লেখ কৰিছিল।

"এটা কোম্পানীয়ে সাধাৰণ মানুহৰ দৰে খাব বা শুব নোৱাৰে, তথাপি ইয়াৰ এটা ঘৰ থাকিব পাৰে আৰু ব্যৱসায় কৰিব পাৰে। আমি, সেয়েহে, চোৱা উচিত যে ই প্ৰকৃততে ক’ত অৱস্হিত আৰু ব্যৱসায় ক’ত কৰে ...... এতিয়াৰ পৰা ত্ৰিশ বছৰৰ আগতে, মুখ্য ন্যায়াধীশ বেৰন কেলি আৰু বেৰন হাডলষ্টনে দ্য কলকাতা জুট মিলচ বনাম নিকলচন আৰু দ্য চিছিনা চালফাৰ কোম্পানী বনাম নিকলচন(২)গোচৰত প্ৰদান কৰা ৰায়ত এই নীতিৰ উল্লেখ আছিল যে কেতিয়াবা এটা কোম্পানী য'ত ইয়াৰ প্ৰকৃত ব্যৱসায় চলি থাকে, তাত আয়কৰৰ উদ্দেশ্যে থাকে ।মই সেইটোক প্ৰকৃত নিয়ম বুলি গণ্য কৰোঁ, আৰু প্ৰকৃত ব্যৱসায়টো তাতেই চলোৱা হয় য'ত মূল পৰিচালনা আৰু নিয়ন্ত্ৰণ প্ৰকৃততে মানি চলে।"

এইটো স্পষ্ট যে আয়কৰ আইনখনৰ ধাৰা ৪এ (খ)ত যিটো কোৱা হৈছে, সেইটোৱেই লৰ্ড ল'ৰবাৰ্নে " য'ত কেন্দ্ৰীয় পৰিচালনা আৰু নিয়ন্ত্ৰণ প্ৰকৃততে মানি চলে " বুলি কোৱা কথাষাৰে প্ৰকাশ কৰিছে।

ইংলেণ্ডত এতিয়া যিবোৰ নীতি সুপ্ৰতিষ্ঠিত আৰু যিবোৰ ছুইডিছ চেণ্ট্ৰেল ৰেলৱে কোম্পানী লিমিটেড বনাম থম্পছন(১) গোচৰত অতি স্পষ্টভাৱে উল্লেখ কৰা দেখা যায়, যিটো এই বিষয়ৰ অন্যতম আগশাৰীৰ গোচৰ, সেইবোৰ হ'ল :-

(১) যে কোম্পানীটোৰ দৰে কাল্পনিক "ব্যক্তি"ৰ ক্ষেত্ৰত বাসস্থানৰ ধাৰণা কোম্পানীটোৰ দৰেই কৃত্ৰিম, আৰু বাসস্থানৰ ঠাই সুধিলে কোম্পানীটোৰ মূল কাম-কাজ আৰু মূল আসন আৰু পৰিচালনা ক্ষমতা ক'ত আছে সেইয়া সুধি কেৱল তুলনাৰ দ্বাৰাহে নিৰ্ণয় কৰিব পাৰি। এই শব্দবোৰৰ অৰ্থ কি সেইয়া ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰীয়ে অতি স্পষ্টভাৱে তলৰ অংশটোত ব্যাখ্যা কৰিছে য'ত তেওঁ আয়কৰ আইনৰ ধাৰা ৪ক (খ) ৰ অৰ্থৰ বিষয়ে আলোচনা কৰিছে:-

"নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা" যে বৰ্তমানৰ প্ৰসংগত নিয়ন্ত্ৰণ আৰু নিৰ্দেশনামূলক শক্তিক বুজায়, কেতিয়াবা ইয়াক "মূৰ আৰু মগজু" বুলি কোৱা হয় আৰু "অৱস্থিত"ই এনে ক্ষমতাৰ কোনো বিশেষ স্থানত কিছু পৰিমাণে স্থায়িত্বৰ সৈতে কাৰ্যকলাপক বুজায়, আনহাতে "সম্পূৰ্ণ"শব্দটোৱে এনে ক্ষমতা দুটা সুকীয়া আৰু পৃথক স্থানৰ মাজত বিভক্ত হোৱাৰ সম্ভাৱনাক স্বীকাৰ কৰা যেন লাগে ।"

সাধাৰণ নিয়ম অনুসৰি ব্যৱসায় এটাৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা কোনো ব্যক্তি বা এটা গোটৰ হাতত থাকে আৰু সুধিবলগীয়া প্ৰশ্নটো হ'ল যে ব্যক্তি বা ব্যক্তিৰ গোটে ব্যৱসায়টো ক'ৰ পৰা নিয়ন্ত্ৰণ বা নিৰ্দেশনা দিয়ে।

(২) কোনো ঠাইত কোম্পানীৰ কেৱল কাৰ্যকলাপে বাসস্থানৰ সৃষ্টি নকৰে, ফলত এটা কোম্পানীয়ে এখন ঠাইত "বাস" কৰি আন এটা ঠাইত বৃহৎ ব্যৱসায় কৰি কৰিব পাৰে।

(৩) কোম্পানী এটাৰ কেন্দ্ৰীয় পৰিচালনা আৰু নিয়ন্ত্ৰণ বিভক্ত হ'ব পাৰে, আৰু ই এটাতকৈ অধিক ঠাইত ঘৰ ৰাখিব পাৰে আৰু ব্যৱসায় কৰিব পাৰে, আৰু যদি এনে হয়, তেন্তে ইয়াৰ এটাতকৈ অধিক বাসস্থান থাকিব পাৰে।

(৪) দ্বৈত বাসস্থানৰ ক্ষেত্ৰত এইটো দেখুৱাব লাগিব যে কোম্পানীয়ে দুয়োখন ঠাইতে নিজৰ অস্তিত্বৰ লগত জড়িত কিছুমান গুৰুত্বপূৰ্ণ কাম সেইদৰেই কৰে, যে আচলতে পৰিচালনাৰ দুটা কেন্দ্ৰ আছে।

আমাৰ বোধেৰে আইনখনৰ ধাৰা ৪ক(খ)ৰ সঠিক ব্যাখ্যাৰ ক্ষেত্ৰত এই নীতিসমূহৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এই বিধানত ব্যৱহৃত শব্দবোৰে প্ৰথমতে স্পষ্টকৈ দেখুৱাইছে, যে, সাধাৰণতে, হিন্দু অবিভক্ত পৰিয়াল এটাক কৰযোগ্য ভূখণ্ডত বাসিন্দা বুলি ধৰা হ'ব, কিন্তু যদি গোচৰটো বিধানৰ দ্বিতীয় অংশৰ অধীনত আনিব পৰা যায় তেন্তে এনে অনুমান প্ৰযোজ্য নহ'ব। দ্বিতীয়তে, আমি কওঁ যে " বিষয় " শব্দটোৰ অৰ্থ হ'ব লাগিব এনে বিষয় যিবোৰ আয়কৰ আইনৰ উদ্দেশ্যে প্ৰাসংগিক আৰু যিবোৰৰ আয়ৰ লগত কিছু সম্পৰ্ক আছে। তৃতীয়তে, গোচৰটো ব্যতিক্ৰমৰ আওতাত অনাৰ উদ্দেশ্যে আমি সুধিব লাগিব যে পৰিয়ালৰ কাম-কাজ আৰু নিয়ন্ত্ৰণৰ বিষয়টো ব্ৰিটিছ ভাৰতৰ ভিতৰত নে বাহিৰত। শেষত " সম্পূৰ্ণৰূপে " শব্দটোৱে বুজায় যে হিন্দু অবিভক্ত পৰিয়ালৰ এটাতকৈ অধিক "বাসস্থান" থাকিব পাৰে যিদৰে এটা নিগমৰ থাকিব পাৰে।

এই ক্ষেত্ৰত উদয় হোৱা প্ৰশ্নটো হৈছে যে এই গোচৰটোৰ ক্ষেত্ৰত এই নীতিসমূহ প্ৰয়োগ কৰাৰ ফলত কি হ'ব, আৰু কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনৰ পৰিয়ালৰ কাম-কাজৰ কেন্দ্ৰীয় নিয়ন্ত্ৰণ আৰু পৰিচালনা এই ক্ষেত্ৰত বিভক্ত হোৱা বুলি দেখা গৈছে বুলি ধৰিব পাৰি নে।

আমাৰ এনে লাগে যে কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনৰ কানাডুকাথানত এটা ঘৰ আছে য'ত তেওঁৰ মাক বসবাস কৰে আৰু সেই ঘৰটো নিয়ন্ত্ৰণ আৰু পৰিয়ালৰ কাম-কাজ পৰিচালনা কৰাৰ ঠাই হ'ব নোৱাৰে নাইবা বৰ্তমানৰ গোচৰৰ পৰিস্থিতিত আমি এই কথাটোক বিশেষ গুৰুত্ব দিবলৈ আগ্ৰহী নহয় যে তেওঁ এটা বিশেষ বছৰত ১০১ দিন ব্ৰিটিছ ভাৰতত থাকিবলগীয়া হৈছিল। নিঃসন্দেহে তেওঁৰ পৰিয়ালৰ সম্পত্তিৰ আৰু আয়কৰ কাৰ্যবিধি সম্পৰ্কীয় মোকৰ্দমাত তেওঁ আগ্ৰহী আছিল আৰু কেৱল ভাৰতলৈ আহি সেইবোৰত অংশগ্ৰহণ কৰি, তেখেতে তেখেতৰ পৰিয়ালৰ পৰিচালনা আৰু নিয়ন্ত্ৰণৰ আসনখন স্থানান্তৰিত কৰিছিল বুলি ক'ব নোৱাৰি বা এনে নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ বাবে দ্বিতীয়টো কেন্দ্ৰ আৰম্ভ কৰা বুলি ক'ব নোৱাৰি।

দুটা অংশীদাৰিত্ব ব্যৱসায় আৰম্ভ কৰাৰ ক্ষেত্ৰতো একেটা মন্তব্য প্ৰযোজ্য হ'ব লাগিব,কিয়নো কেৱল" কাযৰ্কলাপ " বাসস্থানৰ নিৰ্ধাৰণ হ'ব নোৱাৰে।

আমাৰ বোধেৰে উচ্চ ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশসকলে ধাৰা ৪এ(খ)ৰ অৰ্থৰ প্ৰতি যথেষ্ট সংকীৰ্ণ দৃষ্টিভংগী গ্ৰহণ কৰিছে, কাৰণ তেওঁলোকে এই ধাৰণাৰে আগবাঢ়িছে যেন লাগে যে কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনে কেৱল বিশেষ বছৰটোত ব্ৰিটিছ ভাৰত ভ্ৰমণ কৰি তেওঁৰ পৰিয়ালৰ কিছুমান কাম-কাজত গুৰুত্ব দিয়াৰ বাবে তেওঁ নিজকে নীতিটোৰ পৰিসৰৰ ভিতৰত আনিছিল। আনহাতে, আমাৰ বোধেৰে গোচৰটোৰ অধিক শুদ্ধ দৃষ্টিভঙ্গীটো তলৰ অংশটোত আয়কৰ আপীলৰ সহকাৰী আয়ুক্তই ১৯৪৪ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে তেওঁৰ আদেশত আগবঢ়াইছিল-

" হিচাপৰ সময়ছোৱাৰ এটা ডাঙৰ ভাগত (১৯৪২ চনৰ ১২ এপ্ৰিলত সমাপ্ত হোৱা বছৰটো) আপীলকাৰীয়ে বাৰ্মা আৰু চাইগনৰ ব্যৱসায় পৰিচালনা কৰিছিল আৰু এনে নিয়ন্ত্ৰণ কেৱল কলম্বোৰ পৰাই প্ৰয়োগ কৰা হৈছিল বুলি কোনো প্ৰমাণ পোৱা নাই। কোনো ধৰণৰ চিঠিপত্ৰ বা অন্যান্য প্ৰমাণ দাখিল কৰা হোৱা নাছিল যিয়ে

দেখুৱাব যে বিশেষকৈ ব্ৰিটিছ ভাৰতত কাম-কাজৰ প্ৰসংগত কলম্বোৰ পৰা কোনো নিৰ্দেশনা জাৰি কৰা হৈছিল কাৰণ এনে কাম-কাজ চোৱাচিতা কৰা এজন অকৰ্তৃত্বশীল কেৰাণী আছিল। সেয়েহে অনুমানটো হ'ল যে যেতিয়াই তেওঁ ব্ৰিটিছ ভাৰতলৈ আহিছিল আপীলকাৰীয়ে এইবোৰ কাম-কাজ নিজেই চোৱাচিতা কৰিছিল আৰু নিৰ্দেশনা জাৰি কৰি নিয়ন্ত্ৰণ প্ৰয়োগ কৰে ............... স্বীকাৰ কৰা হৈছে যে ব্ৰিটিছ ভাৰতত পৰিয়ালটোৰ কাম-কাজ আছে। এই ক্ষেত্ৰত নিশ্চিতভাৱে প্ৰতিষ্ঠা হৈছেনে যে এনে কাম-কাজৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা কেৱল কলম্বোতহে হৈছে?
মই ধৰিব লাগিব যে মই ইতিমধ্যে উল্লেখ কৰা কাৰণসমূহৰ বাবে ইয়াক প্ৰমাণ কৰা হোৱা নাই।"

তাত কোনো সন্দেহ থাকিব নোৱাৰে যে গোচৰটো ব্যতিক্ৰমৰ ভিতৰলৈ আনিব পৰা তথ্য প্ৰমাণ কৰাৰ দায়িত্ব কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনৰ আছিল যিটো ধাৰা ৪ক (খ)ৰ শেষৰ অংশত উল্লেখ কৰা হৈছে। আপীলকাৰীক প্ৰমাণ দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছিল যে পৰিয়ালটোৰ কাম-কাজৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা সম্পূৰ্ণৰূপে কৰযোগ্য ভূখণ্ডৰ বাহিৰত অৱস্থিত, কিন্তু যাৰ লগত আয়কৰৰ সহকাৰী আয়ুক্তই উল্লেখ কৰা চিঠিপত্ৰ আৰু অন্যান্য বস্তুগত প্ৰমাণে দেখুৱাব পাৰে যে সাধাৰণতে আৰু নিশ্চিতভাৱে ভাৰতৰ কাম-কাজসমূহো কলম্বোৰ পৰা নিয়ন্ত্ৰিত হৈ থকা বুলি দাণ্ডি ধৰা নাছিল। সেয়েহে এইটোৱেই স্থিতি হয়। এফালে এই কথাটো আছে যে কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনৰ পৰিয়ালটোৰ কাম-কাজ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰা মুৰব্বী আৰু কৰ্তাজন স্থায়ীভাৱে কলম্বোত থাকে আৰু পৰিয়ালটোৱে চিলনত বাস কৰে। আনহাতে কিছুমান ব্ৰিটিছ ভাৰতত কৰ্তাই নিজেই কৰা কাম আছে যিবোৰ পৰিয়ালৰ কাম-কাজৰ বাবে এটাতকৈ অধিক নিয়ন্ত্ৰণ কেন্দ্ৰৰ অস্তিত্ব প্ৰতিষ্ঠা কৰিবলৈ নিজৰ দ্বাৰা নিৰ্ণায়ক নহ'লেও, বিতৰ্কিত বিষয়টোৰ সৈতে কোনো কাৰণতে

অপ্ৰাসংগিক নহয় আৰু সেয়েহে ইয়াক নিৰ্ধাৰণ কৰাত সম্পূৰ্ণৰূপে বিবেচনাৰ বাহিৰত ৰাখিব নোৱাৰে। এই পৰিস্থিতিত আৰু বস্তুগত প্ৰমাণৰ অনুপস্থিতিত যিবোৰৰ প্ৰসংগ উল্লেখ কৰা হৈছে, সহকাৰী আয়ুক্তজনে এই সিদ্ধান্তত উপনীত হৈছিল যে কৰ পৰিশোধ কৰিবলগীয়া ব্যক্তিজনে তেওঁলোকৰ গোচৰৰ ব্যতিক্ৰম সমৰ্থন কৰাৰ বাবে প্ৰয়োজনীয় তথ্য প্ৰমাণ কৰা নাছিল। সেয়েহে, সাধাৰণ ধাৰণাটোৱে প্ৰযোজ্য হয়, যিটো আমাৰ দৃষ্টিত এক যুক্তিসঙ্গত সিদ্ধান্ত যেন লাগে।এই দৃষ্টিভংগীৰে আপীলটো জৰিমনাৰ সৈতে খাৰিজ কৰিব লাগিব, কিন্তু আমি উল্লেখ কৰিব বিচাৰো যে যিহেতু এই গোচৰটোৰ সিদ্ধান্ত মূলতঃ প্ৰমাণৰ দায়িত্বৰ প্ৰশ্নটোৰ প্ৰসংগত ল'ব লাগিব, গতিকে এই আপীলৰ সিদ্ধান্তটো এই গোচৰটোৰ সৈতে জড়িত কৰ পৰিশোধ কৰিবলগীয়া বছৰটোত সীমাবদ্ধ থাকিব লাগিব আৰু আগন্তুক বছৰবোৰত উপযুক্ত প্ৰমাণৰ দ্বাৰা দেখুৱাবলৈ আপীলকাৰীৰ বাবে খোলা থাকিব যে নিয়ন্ত্ৰণ আৰু পৰিচালনাৰ স্হান পৰিয়ালটো সম্পূৰ্ণৰূপে ব্ৰিটিছ ভাৰতৰ বাহিৰত আছিল।

ন্যায়াধীশ মুখাৰ্জী - বিদ্বান ন্যায়াধীশ ফাজল আলিৰ যুক্তি আৰু সিদ্ধান্ত দুয়োটাতে মই একমত।

ন্যায়াধীশ চন্দ্ৰশেখৰা আইয়াৰ জে - বিদ্বান ন্যায়াধীশ ফাজল আলিৰ ৰায়ৰ সৈতে মই একমত।

আপীল খাৰিজ কৰা হ'ল।

আপীলকাৰীৰ এজেন্ট : এম এছ কে শাস্ত্ৰী।

প্ৰতিবাদীৰ বাবে এজেন্ট: পি.এ. মেহতা।

Translated by: Dharitri Borgohain

Examined by: Jahnavi Gogoi

Junior Grade Translator

Translation Wing, Gauhati High Court.

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”